এচ্.আৰ. মূৰ্ত্তি

বনাম

কৰ্ণাটক চৰকাৰ আৰু অন্যান্য

১৯ আগষ্ট, ১৯৯৯

[ন্যায়াধীশ: শ্ৰীমতী. সুজাতা ভি মনোহৰ, কে ভেংকটাস্বামী আৰু এম জগন্নাধ ৰাও)

<u>সেৱা আইন</u>:

পদোন্নতি-অনুসূচিত জাতিৰ প্ৰাৰ্থীৰ বাবে সংৰক্ষণ-চৰকাৰী পলিটেকনিক - মৃৎশিল্প শাখাৰ মুৰব্বী -অনুসূচিত জাতিৰ প্ৰাৰ্থীক পদত ৰষ্টাৰৰ ভিত্তিত নিযুক্তি আৰু তেওঁ তকৈ জ্যেষ্ঠ সাধাৰণ শ্ৰেণীৰ ব্যক্তিক পদোন্নতিৰ ক্ষেত্ৰত আওকাণ - ৰায়দান, যিহেতু পদটো একক পদ আছিল , গতিকে পদোন্নতিৰ উদ্দেশ্যে ৰষ্টাৰ প্ৰয়োগ অনুমোদিত নাছিল- ৰষ্টাৰৰ ভিত্তিত কৰা পদোন্নতি বাতিল।

স্নাতকোত্তৰ চিকিৎসা শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠান , চণ্ডীগড় বনাম অধ্যাপক সংস্থা আৰু অন্যান্য , জে টি (১৯৯৮) ৩ এছ চি ২২৩- গোচৰটো অনুসৰণ কৰা হৈছে।

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ: ১৯৯০ চনৰ দেৱানী আপীল নং ৪৪৮০**

১৯৮৮ চনৰ ২২৯৭ নং আবেদনত বাংগালুৰুৰ কৰ্ণাটক প্ৰশাসনিক ন্যায়াধিকৰণৰ ৩.৫.৮৯ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা:

অভয় এন দাস এম.এম. কাশ্যপৰ হৈ- আপীলকাৰীৰ বাবে।

কে এইচ নোবিন সিং এম বীৰাপ্পাৰ হৈ- উত্তৰদাতাসকলৰ বাবে।

আদালতৰ তলত দিয়া আদেশ প্ৰদান কৰা হয়:

এই আবেদন প্ৰথম উত্তৰদাতাই তৃতীয় উত্তৰদাতাক চৰকাৰী পলিটেকনিক এখনৰ মৃৎশিল্প শাখাৰ মুৰব্বী হিচাপে দিয়া পদোন্নতিৰ বিষয়ে। এইটো এটা মাত্ৰ পদবী বুলি কোনো বিতৰ্ক নাই। প্ৰথম উত্তৰদাতাই অৱশ্যে এই পদত সংৰক্ষণৰ সৈতে জড়িত ৰষ্টাৰ প্ৰয়োগ কৰিছিল। সেয়েহে যদিও আপীলকাৰীজন সেই পদলৈ পদোন্নতিৰ বাবে যোগ্য আৰু জ্যেষ্ঠ ব্যক্তি আছিল, তথাপিও তেওঁক নিযুক্তি দিয়া হোৱা নাছিল। বৰঞ্চ তেওঁৰ

তুলনাত কনিষ্ঠ, কিন্তু অনুসূচিত জাতি শ্ৰেণীৰ অন্তৰ্গত ৩ নং উত্তৰদাতাক নিযুক্তি দিয়া হয় কিয়নো ৰষ্টাৰ ব্যৱস্থা অনুসৰি পদটো অনুসূচিত জাতি প্ৰাৰ্থীৰ বাবে সংৰক্ষিত আছিল।

কৰ্ণাটক প্ৰশাসনিক ন্যায়াধিকৰণে বিবাদিত ৰায়দানত মত পোষণ কৰিছিল যে যিহেতু এইটো এটা পদোন্নতিৰ জৰিয়তে পাব পৰা পদবী আছিল, সেয়েহে সকলো পদোন্নতিৰ সুযোগ আবৰ্তন ব্যৱস্থা অনুসৰি বিতৰণ হোৱাটো প্ৰয়োজনীয় আৰু সেয়েহে ৩ নং উত্তৰদাতাক মৃৎশিল্প শাখাৰ মুৰব্বী পদলৈ দিয়া পদোন্নতি এটা বৈধ নিযুক্তি আছিল।

এই আদালতৰ সংবিধান বিচাৰপীঠে স্নাতকোত্তৰ চিকিৎসা শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠান , চণ্ডীগড় বনাম অনুষদ সংস্থা আৰু অন্যান্য, জে টি (১৯৯৮) ৩ এছ চি ২২৩ৰ গোচৰত এই সিদ্ধান্তত উপনীত হয় যে:

“যদি কোনো বিশেষ গোট বা সংস্থাৰ ভিতৰৰ কোনো এটা পদত আবৰ্তন বা ৰষ্টাৰ ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি সংৰক্ষণ থাকে, তেন্তে ইয়াৰ ফলত অৱশেষত এনে পৰিস্থিতিৰ সৃষ্টি হ’ব য’ত সেই পদটো কেৱল কিছুমান পিছপৰা শ্ৰেণীৰ সদস্যৰ বাবেহে উপলব্ধ হ’ব আৰু সাধাৰণ জনতাক, যি নিৰ্দিষ্ট পিছপৰা শ্ৰেণীৰ অন্তৰ্গত নহয়, সেই পদত নিযুক্তিৰ বাবে বিবেচনাৰ পৰা সম্পূৰ্ণৰূপে বাদ দিয়া হ’ব। সাধাৰণ জনতাক সম্পূৰ্ণৰূপে বাদ দিয়া আৰু পিছপৰা শ্ৰেণীৰ বাবে ১০০% সংৰক্ষণ আবন্টন সংবিধানত উল্লেখ কৰা নীতিৰ বিৰুদ্ধ।”

এই নীতিৰ ভিত্তিত যিহেতু প্ৰশ্ন উত্থাপিত পদটো একক পদ আছিল, সেয়েহে পদোন্নতিৰ উদ্দেশ্যে তাত ৰষ্টাৰ ব্যৱস্থা প্ৰয়োগ কৰাৰ অনুমতি নাছিল।

আবেদন মঞ্জুৰ কৰা হয় আৰু ন্যায়াধিকৰণৰ বিবাদিত ৰায়দান বাতিল কৰা হয়। ৰষ্টাৰৰ ভিত্তিত ৩ নং উত্তৰদাতাক দিয়া পদোন্নতি বাতিল কৰা হয়। কিন্তু পদোন্নতি সূত্ৰে তৃতীয় উত্তৰদাতাই ইতিমধ্যে লাভ কৰা দৰমহা আদায় কৰা নহ’ব।

আপীল মঞ্জুৰ কৰা হ’ল।

অনুবাদ: মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়